# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date :** 07-02-2025

**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

::::::::::::::::::::::::::::::::

যোৰহাট মʼহবন্ধা এৰালতলী পথাৰত বৈষ্ণৱ পণ্ডিত সোনাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনা বিয়লি কৃষিমন্ত্ৰী অতুল বৰা আৰু বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত হয়। দুয়োগৰাকী মন্ত্ৰীয়ে সংঘৰ মূল সমিতি তথা অধিবেশনখনৰ আদৰণি সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে বাৰ্তালাপ কৰি অধিবেশনৰ বিস্তৃত খা-খবৰ লৈ ৰাইজৰ সহযোগত এই অধিবেশন সাফল্যমণ্ডিত হব বুলি  মত পোষণ কৰে।

০০০০

ধুবুৰী জিলাৰ চাপৰত আজি শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত  ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলৰ পৰা অহা কৃষক, ব্যৱসায়ী আৰু উদ্যোগীসকলে এখন প্ৰদৰ্শনীৰ জৰিয়তে থলুৱা খাদ্য আৰু অন্যান্য সামগ্ৰী প্ৰদৰ্শনৰ ব্যৱস্থা কৰে। এই অনুষ্ঠানত ৰাজ্যৰ পঞ্চায়ত, গ্ৰামোন্নয়ন, পৰ্যটন আৰু ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ প্ৰদৰ্শিত থলুৱা সামগ্ৰীসমূহৰ নিৰীক্ষণ কৰাৰ উপৰিও উদ্যোগীসকলৰ লগত মত বিনিময় কৰে। ভাষণ প্ৰসংগত মন্ত্ৰী শ্ৰীদাসে কয়, যে ২০৪৭ চনত ভাৰতক মহাশক্তি কৰি গঢ়ি তোলাৰ প্ৰধানমন্ত্ৰীৰ লক্ষ্যক বাস্তৱায়িত কৰি তোলাৰ বাবে সকলোৱে আত্মনিৰ্ভৰ হোৱা উচিত। ইতিমধ্যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰতে ৰেল, পথ সংযোগ আৰু বিমান বন্দৰৰ ক্ষেত্ৰত উল্লেখনীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ মন্তব্য কৰে। আমাৰ যুৱক যুৱতীসকলে নিজৰ উদ্যোগ, ব্যৱসায় আৰু অন্যান্য সামগ্ৰীৰ উৎপাদন যিমানেই বৃদ্ধি কৰিব পাৰে যিমানেই আমি আত্মনিৰ্ভৰশীল হম আৰু আমাৰ উন্নয়ন হʼব বুলিও মন্ত্ৰী শ্ৰী দাসে উল্লেখ কৰে। অনুষ্ঠানত ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথো উপস্থিত থাকে। উল্লেখযোগ্য যে এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণ অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হʼব।

০০০০

কাৰ্বি আংলং জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ উদ্যোগত আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ সহযোগত আজি কাৰ্বি আংলং জিলাৰ ডিফুৰ মাজ বজাৰত ভূমিকম্পৰ সময়ত লʼবলগীয়া সাৱধানতাৰ বিষয়ত এখন বাটৰ নাট অনুষ্ঠিত কৰা হয়। সুৰক্ষিত অসমৰ বাবে বাটৰ নাট-২ৰ অংশ হিচাপে আয়োজন কৰা এই বাটৰ নাটত বিশিষ্ট অভিনেতা ৰাজীৱ ক্ৰ আৰু সতীৰ্থ শিল্পীসকলে অভিনয় কৰে। বাটৰ নাটৰ মাধ্যমেৰে জনসাধাৰণক পলিথিনৰ বেগ ব্যৱহাৰৰ পৰা বিৰত থাকি কিদৰে পৰিৱেশ সংৰক্ষণ কৰিব পাৰি সেই বিষয়টো সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

০০০০

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সন্দৰ্ভত আলোচনা কৰিবলৈ আজি সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষক সাক্ষাৎ কৰে। এইবেলি হাইস্কুল শিক্ষন্ত পৰীক্ষাত ৰাজ্যখনত মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাত সৰ্বমুঠ ৩ লাখ ছহেজাৰ ৮৪১ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এই দুয়োটা পৰীক্ষা নিখুঁত আৰু সুকলমে পৰিচালনা কৰিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক সদৌ অসম ছাত্ৰ সন্থাৰ ফালৰ পৰা আহ্বান জনোৱা হয়। সেইদৰে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ক্ষেত্ৰত পৰিষদৰ গ্ৰহণযোগ্যতা আৰু বিশ্বাসযোগ্যতা অটুত ৰাখিবলৈও ছাত্ৰ সংগঠনটোৱে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত লন বলত আজি অসমে তিনিটা পদক জয় নিশ্চিত কৰিছে। নয়নমণি শইকীয়া আৰু বন্দিতা হাজৰিকাৰ মহিলাৰ ডাবলচ যুটীৰ লগতে পুৰুষ এককত পুতুল সোণোৱাল তথা মেন ফৰ্চত বিতোপন ৰাভা, অমল টেৰণ, বিমান নাথ আৰু বিশ্বনাথ খাওন্দে চেমিফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ ৰাষ্ট্ৰীয় ক্ৰীড়াত দেশৰ দ্ৰুত মানৱ অম্লান বৰগোহাইয়ে অভিযান আৰম্ভ কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰিছে। লাভলীনাই আজি ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত চণ্ডিগড়ৰ প্ৰানচু ৰাথোৰক ৫-০ ফলাফলত পৰাজিত কৰে। অংকুশিতাই ৬৬ কিলোগ্ৰাম শাখাত উত্তৰাখণ্ডৰ কাজলক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে দুটা সোণৰ পদক অৰ্জন কৰিছে। লগতে তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশ কৰিছিল। ইপিনে মহিলাৰ একক আৰ্চাৰীত টুটুমণি বড়ো আৰু আৰ্চাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০

গুৱাহাটীৰ পিয়লিফুকন নিৱাসী জুনু দত্তৰ কালি সন্ধিয়া মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬২ বছৰ।

০০০০

সমাপ্ত